# এজনী বাঁৰী তিৰোতাই তাইৰ যি আছিল তাকে প্ৰভুক দিলে

**প্ৰাৰ্থনাঃ** "হে পিতৃ, ল'ৰা-ছোৱালীয়ে যেন আনক আনন্দেৰে দিব পাৰে তাৰ বাবে এই অধ্যয়নৰ যোগেদি তেওঁলোকক উৎসাহিত কৰক।"



তলত দিয়া ল'ৰা-ছোৱালীৰ যিকোনো কাম বাচি লওঁক।

**লূক ২১ঃ১-৪** পৰা দৰিদ্ৰ বাঁৰী তিৰোতাৰ বিষয়ে পঢ়ক অথবা এই কাহিনীটো কওক।

কেনেদৰে দিয়া জনত ঈশ্বৰ সন্তুষ্ট হয়, সেই কথা জানিবলৈ কাহিনীটো কোৱা আগেয়ে ল'ৰা-ছোৱালীক মনোযোগেৰে শুনিবলৈ কওক। এতিয়া প্ৰশ্ন সোধক ঃ

- দৰিদ্ৰ বাঁৰী তিৰোতাজনীয়ে কি দান কৰিছিল?
- জীয়াই থাকিবলৈ তাইৰ যি আছিল তাৰে পৰাই বাঁৰী তিৰোতা জনীয়ে কিমান দিলে।
- বাঁৰী তিৰোতাৰ দান সম্পৰ্কে যীচুৱে কি ক'লে?
- ঈশ্বৰক দিবলৈ ধনী মানুহে যথেষ্ট ত্যাগ কৰিছিল নে?
- ঈশ্বৰৰ দৃষ্টিত কোনে অধিক দিছিল, তিৰোতাজনীয়ে অথবা ধনী মানুহে?

দুটা ৰোমীয় পইচাৰ ছবি আঁকক, অথবা এটা বাকচত পইচা, বাৰী তিৰোতা অথবা ধনী মানুহ। ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক।



- আমি কেনেকৈ ঈশ্বৰক দিয়া উচিত, ছবিখনে তাকে বৰ্ণনা কৰিছে।
- ল'ৰা-ছোৱালীক এনে এখন ছবি আঁকিবলৈ দিয়ক।
- জোৰকৈ নহয়, কিন্তু বাঁৰী তিৰোতা এগৰাকীৰ দৰে অন্তৰৰ পৰা মুক্তহস্তে, আনন্দেৰে আৰু উদাৰভাৱে আমি দিয়া উচিত - বৰ্ণনা কৰক।
- পিছৰ উপাসনাৰ সময়ত ল'ৰা-ছোৱালীয়ে তেওঁবিলাকৰ ছবিৰ বিষয়ে বয়সীয়া সকলক ব্যাখ্যা কৰক।

**বিচাৰকৰ্ত্তা ১৯ঃ১৪-২১** পৰা উদাৰভাৱে দান দিয়া গিবিয়াৰ বৃদ্ধ লোকজনৰ বিষয়ে পঢ়ক অথবা কাহিনীটো কওক।

- ডাঙৰ ল'ৰা-ছোৱালীক তলত দিয়া ভাওবোৰ দিয়ক ঃ

  **বৰ্ণনাকাৰী ঃ** কাহিনীটো পঢ়ক আৰু কি ক'ব লাগে মনত পেলাবলৈ ল'ৰা-ছোৱালীক সহায় কৰক।

  **লেবীয়া লোক**

  **বৃদ্ধলোক**

  **সৰু ল'ৰা-ছোৱালীৰ ভাওবোৰ হৈছেঃ**

  **দাসবোৰ**

  **দাসীবোৰ**

  **গাধবোৰ** (গাধৰ নিচিনা দেখুৱাবলৈ হাত ও ভৰিৰে (অথবা আঁঠুৰে) খোজ কাঢ়িব)

  **গিবিয়াৰ লোক**

**বৰ্ণনাকাৰীঃ** "নিজৰ দাস-দাসীবোৰ লগত লৈ অতীজৰ ইস্ৰায়েল দেশৰ পৰা যাত্ৰা কৰা এজন লেবীয়া লোকৰ বিষয়ে এই কাহিনী" (বিচাৰকৰ্ত্তা ১৯ঃ১৪-২১ পঢ়ক।)

**দাসঃ** "হে মহাশয়, বেলি পৰিল। আমি আগলৈ যোৱা উচিত নহয়।

**দাসবিলাকঃ** "আহাঁ, এই চহৰখনত প্ৰৱেশ কৰি আমি শুবলৈ ঠাই বিচাৰোঁ।" (তেওঁলোকে এফালে খোজকাঢ়ি গৈ এখন দুৱাৰত টুকুৰিওৱা যেন দেখুৱায়।)

**গিবিয়াৰ লোকঃ** "তোমাক কি লাগে?"

**লেবীয়া লোকঃ** অনুগ্ৰহ কৰি আমাক থাকিবলৈ ঠাই দিয়ক। আমি যাত্ৰা কৰি আহিছোঁ আৰু এতিয়া ৰাতিটো কটাবলৈ আমাক এটুকুৰা ঠাইৰ প্ৰয়োজন। আমি ইয়াৰ খৰছৰ বাবে টকা দিম।

**গিবিয়াৰ লোকঃ** "মই মোৰ ঘৰত যাত্ৰীক থাকিবলৈ নিদিওঁ। চহৰৰ কোনলৈ গৈ তাতে শুই থাকা।"

**বৰ্ণনাকাৰীঃ** "তেওঁলোক কেইবাটাও ঘৰলৈ যায়, কিন্তু কোনেও থাকিব নিদিয়ে।

**লেবীয়া লোকঃ** "আহাঁ, আমি চহৰৰ খোলা ঠাইতে এটা কোণত থাকোঁহঁক। পৰ দিবা, কাৰণ ই অতি বিপদজনক।" (আটাইয়ে অলপ দূৰ খোজ কাঢ়ি সকলোৰে বহি পৰে।)

**বৃদ্ধলোকঃ** "তোমালোক ক'লৈ যোৱা? এই ঠাই অতি বিপদজনক।"

**লেবীয়া লোক ঃ** "আমি ইফ্ৰয়িমলৈ যাওঁ। কোনেও আমাক তেওঁলোকৰ ঘৰত ঠাই নিদিয়ে। আমাৰ লগত গাধৰ নিমিত্তে যথেষ্ট আহাৰ, আৰু কিছু পিঠা আৰু পানী আছে।

**বৃদ্ধলোক ঃ** "তোমালোকৰ সকলো প্ৰয়োজনীয় ভাৰ মোক দিয়া। মুকলি ঠাইত ৰাতি কটোৱা ভাল নহ'ব। মোৰ ঘৰতে থাকাহি। গাধকেইটাক মই খাবলৈ আহাৰ দিওঁ।"

**গাধবোৰঃ** ভাওৰীয়াই গাধৰ দৰে বেবাই চিঞৰি আঁতৰি যাওক।

**বৰ্ণনাকাৰীঃ** "বৃদ্ধজনে গাধক খাবলৈ দিলে, যাত্ৰীকেইজনৰ ভৰি ধুৱালে আৰু খাবলৈ তেওঁলোকক পিঠা আৰু পানী দিলে।"

নাটকত ভাগ লোৱা আটাইকে আৰু শুনোতা বয়সীয়াসকলক ধন্যবাদ দিয়ক।

ল'ৰা-ছোৱালীয়ে উপাসনাত ভাগ ল'বলৈ মণ্ডলীৰ চলাওঁতাৰ লগত যোগাযোগ কৰক।

- বৃদ্ধ লোকজনৰ নাটকৰ ভাগ বয়সীয়া সকলক ল'ৰা-ছোৱালীয়ে দিয়ক।
- নাটকত দিয়াৰ কি ভাল উদাহৰণ দেখা পালে ল'ৰা-ছোৱালীয়ে বয়সীয়া সকলক প্ৰশ্ন কৰক।
- কোনো এজন ল'ৰা-ছোৱালীয়ে দৰিদ্ৰ বাৰী তিৰোতাৰ বিষয়ে কওক, আৰু প্ৰথম পৃষ্ঠাত দিয়া প্ৰশ্নবোৰ কৰক।

**পদ্য ঃ** গীতমালা ৫০ঃ১, ৯, ১০, ১২ আৰু ২৩ পদকেইটা ল'ৰা-ছোৱালীক আবৃতি কৰিবলৈ দিয়ক।

নাটকত দিয়া সম্পৰ্কে কি ভাল উদাহৰণ দেখা পালে, ল'ৰা-ছোৱালীক প্ৰশ্ন কৰক। *(উত্তৰ ঃ বৃদ্ধ লোকজনে মুক্তহস্তে দিলে, আনকি অচিনাকী জনকো।)*

আনক দান দিয়া বিষয়ে ল'ৰা-ছোৱালীক পদ্য, গীত অথবা চুটী গল্প লিখিবলৈ দিয়ক।

**মুখস্থ কৰকঃ** লূক ৬ঃ৩৮

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, জগতত থকা সকলোৱেই আপোনাৰ আৰু আপুনি আমাক অধিককৈ দিলে। ইয়াৰ বাবে আমি কৃতজ্ঞ। আপোনাক কৃতজ্ঞ জনাবলৈ দৰিদ্ৰ বাঁৰী তিৰোতাৰ দৰে আমি আপোনাক আনন্দেৰে দিব খোজোঁ। অন্তৰৰ পৰা উদাৰভাৱে দিবলৈ আমাক সহায় কৰক।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.